Ref. No: DHSK/Notice/2017/4501

## ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন

২০১৭-১৮ বৰ্ষ

লিংডো কমিটিৰ অনুমোদন তথা উচ্চতম ন্যায়ালয়ৰ ৰায় সাপেক্ষে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ছাত্ৰ-ছাত্ৰী সকলে নিম্নলিখিত নিৰ্বাচনী বিধি মানি চলাটো বাধ্যতামূলক

০৩।০৮।২০১৭

### নিৰ্বাচনী বিধিঃ

১। কোনো প্ৰাৰ্থীয়ে মহাবিদ্যালয়ৰ কোনো গৃহ বা চৌপাশে থকা বেৰত প'ষ্টাৰ লগাব নোৱাৰিব । কোনো প্ৰাৰ্থীয়ে যদি তেনে কাৰ্য্য কৰে তেনেহ'লে প্ৰাৰ্থীগৰাকীৰ প্ৰাৰ্থীত্ব বাতিল কৰা হব ।

২। মহাবিদ্যালয়ৰ চৌহদৰ ভিতৰত কোনো প্ৰাৰ্থীয়ে প্ৰচাৰৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত নিজৰ নাম সন্নিবিষ্ট কাৰ্ড বিতৰণ কৰিব নোৱৰিব। কোনো প্ৰাৰ্থীয়ে যদি তেনে কাৰ্য্য কৰে তেনেহ'লে প্ৰাৰ্থীগৰাকীৰ প্ৰাৰ্থীত্ব বাতিল কৰা হব। কাৰ্ডৰ পৰিবৰ্তে প্ৰাৰ্থীসকলে বেনাৰ মহাবিদ্যালয়ৰ ভিতৰত ব্যৱহাৰ কৰিব পাৰিব। নিৰ্বাচনী প্ৰক্ৰিয়া শেষ হোৱাৰ লগে লগে বেনাৰ সমূহ আঁতৰাই দিব লাগিব ।

৩। **ভোট প্ৰদান কৰিবলৈ অহাৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলে ইউনিফৰ্ম পিন্ধি অহাটো বাধ্যতামূলক । ইউনিফৰ্ম পিন্ধি নহা কোনো ছাত্ৰ-ছাত্ৰীক ভোট প্ৰদান কৰিবলৈ দিয়া নহব । তেনে ক্ষেত্ৰত এডভাইজৰী ব'ৰ্ডে কোনো উজৰ-আপত্তি গ্ৰহণ নকৰিব ।**

৪। প'লিং অফিচাৰৰ পৰা বেলট পত্ৰ লবলৈ যোৱাৰ সময়ত নবীকৃত পৰিচয় পত্ৰ দেখুওৱাটো বাধ্যতামূলক । ইয়াৰ অবিহনে নামভৰ্তিৰ ৰচিদ আদি পৰিচয়ৰ প্ৰমান হিচাবে গ্ৰহণ কৰা নহব।

৫। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ সফল সমাপ্তি তথা মহাবিদ্যালয়ৰ সামগ্ৰীক পৰিবেশ শান্তিপূৰ্ণ কৰি ৰখাৰ উদ্দেশ্যে নিৰ্বাচনৰ দিনা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীৰ বাহিৰে কোনো লোকক মহাবিদ্যালয়ৰ চৌহদত প্ৰবেশ কৰিবলৈ দিয়া নহব । ইয়াৰ কাৰ্যকৰীকৰণৰ বাবে জিলা প্ৰশাসনৰ সহায় লোৱা হ'ব । কোনো লোকে যদি বিশেষ কাৰণবশতঃ মহাবিদ্যালয়ৰ কোনো লোকক লগ কৰিব বিচাৰে তেন্তে উপযুক্ত প্ৰমান প্ৰদৰ্শন কৰিলেহে মহাবিদ্যালয়ৰ চৌহদত প্ৰবেশ কৰিবলৈ দিয়া হব ।

৬। ভোটৰ গননা কক্ষত প্ৰত্যেক প্ৰাৰ্থীৰ কেৱল দুজনকৈ প্ৰতিনিধি থাকিব পাৰিব। প্ৰতিনিধি কেইজনে ভোট গণনা কক্ষলৈ অহাৰ সময়ত প্ৰাৰ্থীয়ে দিয়া নিযুক্তি পত্ৰ এডভাইজৰী ব'ৰ্ডক জমা দিব লাগিব । তেনে নিযুক্তি পত্ৰ জমা পালেহে প্ৰতিনিধি কেইজনক গণনা কক্ষত বহিবলৈ অনুমতি দিয়া হব । ইয়াৰ বাহিৰে আন কোনো ছাত্ৰ-ছাত্ৰীক গণনা কক্ষত প্ৰবেশ কৰিবলৈ দিয়া নহব ।কোনো ছাত্ৰ-ছাত্ৰীয়ে যদি উক্ত বিধি উলংঘা কৰি অপ্ৰীতিকৰ পৰিবেশৰ সৃষ্টি কৰে তেন্তে তেনে ছাত্ৰ-ছাত্ৰীৰ ওপৰত অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰা হব ।

৭। কোনো ৰাজনৈতিক সংগঠণে পৃষ্ঠপোষকতা কৰা ছাত্ৰ-ছাত্ৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত প্ৰাৰ্থী হিচাবে মনোনয়ন দিব নোৱাৰিব। যদি কোনো প্ৰাৰ্থীৰ বিপৰিতে কোনো ৰাজনৈতিক সংগঠণে পৃষ্ঠপোষকতা কৰাৰ প্ৰমান পোৱা যায় তেন্তে তেনে প্ৰাৰ্থীৰ প্ৰাৰ্থীত্ব বাতিল কৰা হব ।

৮। **নিৰ্বাচনী বিধি উলংঘা কৰা যিকোনো ছাত্ৰ-ছাত্ৰীৰ ওপৰত আইনগত অনুশাসনমূলক ব্যৱস্থা লোৱা হব ।**

৯। **প্ৰাৰ্থীত্ব লাভ কৰিবলৈ ৮০ শতাংশ শ্ৰেণীৰ উপস্থিতি বাধ্যতামূলক হব ।**

১০। **যিকোনো ষান্মাষিকৰ ছাত্ৰ/ছাত্ৰীয়ে মনোনয়ন পত্ৰ দিবলৈ হ'লে তেওঁ পূৰ্বৰ ষান্মাষিকৰ পৰীক্ষাত উত্তীৰ্ণ হব লাগিব । অন্যথাই তেওঁৰ মনোনয়ন পত্ৰ নাকচ কৰা হ'ব ।**

(signature)

অধ্যক্ষ

ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়

ডিব্ৰুগড়